লৌহিত্য সাহিত্য সেতু: সহযোগী বিদ্বানৰ দ্বাৰা পুনৰীক্ষিত দ্বিভাষিক ই-আলোচনী
বৰ্ষ: ২; সংখ্যা: ৩; জুলাই-ডিচেম্বৰ, ২০২১

# গীতালি বৰাৰ 'অন্তৰতম'-এটি আলোচনা

✍ ড° লিপিমণি দত্ত

এনেকুৱা অনেক কথা থাকে যিবোৰ কেৱল নিজৰ। অন্তৰৰো অন্তৰৰ কিছু যাতনা-ৰিক্ততা-একাকীত্ব কেৱল মাথোঁ নিজেহে উপলব্ধি কৰিব পাৰি। সেই বিশেষ মানসিক অৱস্থা আনৰ আগত তুলি ধৰাটো কঠিন। সংবেদনহীন, অপৰিপক্ক হৃদয় মগজুৰ একাংশই বুজি উঠিব নোৱাৰে বিশেষ কিছুমান মানুহৰ দুচকুৰ কোণৰ বিষাদ অথবা তেওঁলোকে নিজৰ ভিতৰত লৈ ফুৰা যাতনাৰ পৃথিৱীখনক। বিশেষ কিছুমান মানুহক জীৱনে বাৰম্বাৰ প্ৰত্যাহবানৰ মুখামুখি কৰাই। তেওঁলোক হতাশাত ভাগি পৰি বিধ্বস্ত হয়। অথচ জীৱনে তেওঁলোকক পলায়নৰ সুযোগ নিদিয়ে। ভাগি ছিগি জহি খহিও তেওঁলোক হৈ পৰে অধিক দৃঢ়-সাহসী। জীৱনৰ শেষ দিনটোলৈকে যুঁজিবলৈ তেওঁলোক বদ্ধপৰিকৰ হয়। তেওঁলোকে অনুভৱ কৰে-- শত যাতনা, বেদনা, অপ্ৰাপ্তি, হুমুনিয়াহৰ শেষতো জীৱনটো অনুপম-অনন্য সুন্দৰ! এই সত্য উপলব্ধি কৰিব পৰা জীৱনৰ প্ৰকৃত যোদ্ধা মানুহবোৰ আচলতে সাধাৰণ নহয়- এওঁলোক বিশেষ। প্ৰকৃত অৰ্থতেই বিশেষ। এনে বিশেষ কিছুমান চৰিত্ৰৰ যাতনা, সংগ্ৰাম, মনোজগতৰ বিচিত্ৰ-বিক্ষিপ্ত ৰূপ তুলি ধৰা হৈছে গীতালি বৰাৰ শেহতীয়া উপন্যাস 'অন্তৰতম'ত। গল্পকাৰ হিচাপে ইতিমধ্যে প্ৰতিষ্ঠা লাভ কৰা গীতালি বৰাই তেওঁৰ প্ৰথমখন উপন্যাস 'বুদ্ধজায়া'ৰ জৰিয়তেও সমাদৰ বুটলিবলৈ সক্ষম হৈছিল। 'অন্তৰতম'ত বিশেষভাৱে সক্ষম দুটা চৰিত্ৰ আৰু তেওঁলোকৰ অভিভাৱকৰ একাকী, যন্ত্ৰণাক্লিষ্ট পৃথিৱীখন সংবেদনশীল ৰূপত তুলি ধৰা হৈছে।

“সচৰাচৰ আমি দেখি থকা আলোকোজ্জ্বল পৃথিৱীখনৰ বহু আঁতৰত এওঁলোকৰ এখন নিজা একাকী পৃথিৱী আছিল।“-- হয়, সেই বিশেষ মানুহবোৰে বুকুৰ ভিতৰত এখন একাকী জগত কঢ়িয়াই লৈ ফুৰে। চৌপাশৰ সংবেদনহীন, আন্তৰিকতাহীন পৃথিৱীখনে অসতৰ্ক বাক্যবাণেৰে হানি খুচি বিদ্ধ কৰা এওঁলোকৰ বুকুখনে কেতিয়াবা কাৰোবাৰ আশ্ৰয় বিচাৰি হাহাকাৰ কৰে- সহমৰ্মী হাত এখনৰ হাতত নিজৰ হাত সপি দিব খোজে-অথচ ক্ষণিকৰ সেই তাড়না বাসনা প্ৰাপ্তি অপ্ৰাপ্তিৰ সিপাৰতো তেওঁলোক অবিচল-কিয়নো তেওঁলোক দায়বদ্ধ জীৱনে দিয়া দুৰ্ভাগ্যকো (!) সুকলমে, আন্তৰিক স্নেহ সাহচৰ্যৰে বুকুৰ উমত জীয়ন দি ৰাখিবলৈ! প্ৰিয়া আৰু গাৰ্গীৰ দৰে!

গীতালি বৰাৰ শেহতীয়া উপন্যাস ‘অন্তৰতম’ৰ এই দুটা নাৰী চৰিত্ৰ জীৱনক প্ৰত্যাহবান জনাব পৰাকৈ সফল। Cerebral Palsy আৰু Muscular atrophy-ত ভোগা সন্তানৰ শাৰীৰিক যাতনা, কষ্টকৰ দীৰ্ঘদিনীয়া চিকিৎসা, শুভাকাংক্ষীৰ নামত সমাজে দিয়া অপৰিসীম যাতনাক সহজভাৱে গ্ৰহণ কৰি জীৱনটো জীয়াই থাকিব পৰাকৈ। একাকীত্বই মুমূৰ্ষু কৰি তোলা মুহূৰ্তবোৰতো তেওঁলোকে জীৱনসংগীৰ পৰা পোৱা নাই আশানুৰূপ সকাহ। তেওঁলোকৰ সাংসাৰিক জীৱনো হৈ পৰিছে ৰংহীন, উষ্মতাহীন, শীতল। বহুসময়ত পৰস্পৰৰ কাষত থাকিও দুয়ো দুয়োৰে পৰা শতযোজন দূৰত অৱস্থান কৰিছে। সেই দূৰত্বৰ সুৰুঙাৰে অথবা অৱধাৰিতভাৱে প্ৰিয়াৰ কাষত থিয় দিছে ড° অভিজ্ঞান আৰু গাৰ্গীয়েও দীৰ্ঘদিনৰ অনুৰাগী বন্ধু সৈকতৰ সৈতে শাৰীৰিকভাৱে মিলিত হৈছে। ঘটনাৰ চাকনৈয়া-পাৰিবাৰিক পৰিস্থিতিৰ বাবে অভিজ্ঞান সৈকত শেষপৰ্যন্ত তেওঁলোকৰ সাহস হৈ ৰোৱা নাই। ইয়াৰ বাবে সাময়িকভাৱে যন্ত্ৰণাপিষ্ট হৈও গাৰ্গী, প্ৰিয়া দৃঢ় হৈয়ে ৰৈছে। কিয়নো এই দুই সৃষ্টিশীল নাৰীয়ে জীৱন যাপন কৰিব জানে। নিজৰ অক্ষম সন্তানক জীৱনৰ

শেষ দিনলৈকে মমতাৰ আঁচলৰে বান্ধি ৰাখিব খোজে।

প্ৰশ্ন হয়- নিজৰ অক্ষম সন্তানৰ যাতনাক প্ৰতিনিয়ত চকুৰ আগত ৰাখিও কিদৰে দুয়োটা চৰিত্ৰ সবল হৈ ৰৈছে- একাকীত্বৰ পৃথিৱীখনত ডুবি থাকিও কিদৰে তেওঁলোকে নিজক সবল কৰি ৰাখিছে-সম্ভৱতঃ এয়া সম্ভৱ হৈ উঠিছে দুয়োৰে মাজত থকা সৃষ্টিশীল প্ৰতিভাৰ বাবে। অন্তৰতম যাতনাক শব্দলৈ ছবিলৈ ৰূপান্তৰিত কৰিব পৰা বাবেই দুয়োৰে যাতনাৰ যেন কেথাৰছিছ হৈছে। প্ৰিয়াই যিদৰে জীৱনদায়িনী কিতাপবোৰ নিজৰ কাষত ৰাখিছে, একেদৰে মনৰ ভিতৰখন নিবিড় নিমগ্নতাৰে গাৰ্গীয়েও কেনভাছত তুলি ধৰিছে। এই দুই নাৰীৰ জীৱন যেন পৰস্পৰৰ পৰিপূৰক হৈ উঠিছে। দুয়োৰে সপোন যাতনা একাকীত্ব বাসনা যেন কোনোবাটো বিন্দুত একাকাৰ হৈ গৈছে।

গীতালি বৰাৰ ‘অন্তৰতম’ উপন্যাসখনত দুই বিশেষভাবে সক্ষম শিশু-কিশোৰৰ শাৰীৰিক যাতনা আৰু তেওঁলোকৰ মাতৃৰ মানসিক জগতখন পোহৰলৈ আহিছে। লক্ষ্যণীয়ভাৱে পিতৃ চৰিত্ৰৰ মনোজগতখন বিশেষভাৱে উন্মোচিত নহ’ল। প্ৰিয়াৰ স্বামী আদিত্যক সন্তানৰ অক্ষমতাই ব্যথিত কৰিলেও চৰিত্ৰটোৱে প্ৰদৰ্শন কৰা সংবেদনশীলতা মাতৃ চৰিত্ৰটোৰ তুলনাত বহুত কম। একেদৰে গাৰ্গীৰ স্বামী তন্ময়ৰো অন্য নাৰীৰ সৈতে সম্পৰ্ক থকাৰ ইংগিত পোৱা গৈছে। সুস্থ আৰু স্বাভাৱিক আন এক সন্তানৰ তাড়নাই আদিত্য, তন্ময়ক এনেদৰে বিহ্বল কৰিছে যে সন্তান এটি তুলি লোৱাৰ হুতাহতে আদিত্যই – প্ৰিয়াৰ সৈতে কেৱল মাথোঁ আনুষ্ঠানিকতাৰ খাতিৰতে বিচ্ছেদ কৰিবলৈও আগবাঢ়িছে। গাৰ্গী প্ৰিয়াতকৈ যেন অধিক নিসংগ। স্বামী তন্ময়ৰ বিশ্বাসঘাতকতা, বন্ধু সৈকতৰ ভীৰুতা, সন্তান নীলমৰ অক্ষমতা, নীলমৰ গুৰুতৰ কেন্সাৰ ৰোগ ধৰা পৰা –এই আটাইবোৰ যাতনা সামৰিও সাহসেৰে জীৱনৰ মুখামুখি হৈছে। প্ৰসংগক্ৰমে শাৰীৰিক একাকীত্বৰ দৰে স্পৰ্শকাতৰ দিশকো উপন্যাসখনত ঠাই দিয়া হৈছে। অৱশ্যে ড°

অভিজ্ঞান, তন্ময়, সৈকত আদিৰ মনোজগতখন আশানুৰূপভাৱে বিকশিত নহ'ল। হয়তোবা তেওঁলোকৰ মনোজগত উন্মোচনৰ দিশটো লেখিকাৰ উদ্দেশ্যৰ ভিতৰুৱাও নাছিল। আনহাতে বিশেষভাৱে সক্ষম শিশু হ'লেও মানসিক দিশত পৰিপক্ক নীলমৰ মানসিক জগতৰ উপস্থাপনো উপন্যাসখনত পৰিলক্ষিত নহ'ল।সংবেদনশীল নীলমৰ মনৰ পৃথিৱীখন উন্মোচন হোৱা হ'লে পাঠকৰ পক্ষে তেনে শিশুৰ পৃথিৱীখন বুজি উঠাত সহায় হ'লহেঁতেন। আনহাতে প্ৰিয়া, গাৰ্গীৰ স্বামী চৰিত্ৰ আদিত্য, তন্ময়ৰ স্বাভাৱিক সন্তানৰ প্ৰতি দুৰ্নিবাৰ বাসনাই চৰিত্ৰ দুটাৰ মানৱীয় মহত্ব নোহোৱা কৰিছে। অথবা এই মহত্বহীনতায়ে প্ৰিয়া আৰু গাৰ্গীকো স্বামীৰ প্ৰতি দায়িত্বহীন হৈ কৰা বঞ্চনাক (!) বৈধতা প্ৰদান কৰিছে। আদিত্য আৰু তন্ময়ৰ অন্য এটি সক্ষম সন্তানৰ প্ৰতি তাড়নাই প্ৰিয়া গাৰ্গীক অধিক নিসংগ কৰিছে। স্বামীৰ প্ৰতি সন্মান নোহোৱা কৰিছে। যাৰ ফলত সংস্কৃতিবান, শিক্ষিতা, ৰুচিশীল প্ৰিয়ায়ো মনত দ্বিধা নৰখাকৈ অভিজ্ঞানৰ বুকুত দহ মিনিটৰ বাবে আশ্ৰয় বিচৰা কথাটোৱে পাঠকক চৰিত্ৰটোৰ প্ৰতি সমব্যথী সহানুভূতিশীলহে কৰিছে। সমালোচনা অথবা অভিযোগৰ আঙুলি উঠোৱাৰ সুযোগ পোৱা নাই। একেদৰে অন্য নাৰীৰ সৈতে সম্পৰ্ক ৰাখি তন্ময়ে গাৰ্গীক কৰা প্ৰতাৰণায়ো যেন গাৰ্গীক অধিক অভিমানী আৰু নিস্পৃহ কৰি তুলিছে। প্ৰেমিক বন্ধু সৈকতৰ সৈতে শাৰীৰিক মিলনৰ (সেয়া তন্ময়ৰ ওপৰত প্ৰতিশোধ, সৈকতৰ প্ৰতি অনুকম্পা নে আত্মমুক্তিৰ চেষ্টা?) পাছতো গাৰ্গীক অপৰাধবোধে ক্ষতবিক্ষত কৰা নাই—বৰং গৰ্ভত থিতাপি লোৱা সৈকতৰ সন্তানক সাহসেৰে জীৱন দিবলৈ উন্মুখ হৈছে পূৰ্ণ স্বাধীনমনে। উপন্যাসখনত প্ৰধানকৈ গুৰুত্ব পাইছে নাৰী চৰিত্ৰ দুটাৰ একাকীত্বৰ দিশটোৱে। একাকীত্বৰ সৰ্বগ্ৰাসী চেতনাক লেখিকাই অজগৰৰ প্ৰতীকৰ জৰিয়তে প্ৰকাশ কৰিছে। প্ৰিয়া চৰিত্ৰই চেতনাত সৰ্বসময়তে এটা অজগৰক লালন কৰিছে।– ''ভেণ্টিলেটৰেদি কিন্ কিনকৈ দোকমোকালিৰ বগা পোহৰ অকণ কোঠাটোলৈ সোমাই আহোঁতেই আদিত্য উঠি

গ'লগৈ। কিন্তু তেতিয়াও প্ৰিয়াক অজগৰডালে সমস্ত শক্তিৰে মেৰাই ৰাখিছিল। যেনে-তেনে চকুটো বেঁকা কৰি তাই পেইণ্টিংখনলৈ চালে-হয়। তাত অজগৰটো নাই। মায়াবী প্ৰাণী। অদৃশ্য হ'ব জানে! অদৃশ্য হৈ তাইক মেৰাইছে নে তাইৰ মাজত লীন হৈ তাইৰ চেতনাক জঠৰ কৰি পেলাইছে!'' মেজিক ৰিয়েলিজমৰ বৰ্ণনাশৈলীৰ জৰিয়তে লেখিকাই প্ৰিয়া, গাৰ্গীৰ মনোজগতখন তুলি ধৰিছে। মনৰ ভিতৰৰ অন্তহীন যাতনাকো ছবিৰ সংবেদনশীল প্ৰকাশেৰে মূৰ্ত কৰি তুলিছে।

'অন্তৰতম' এখন ছেমি অটবায়গ্ৰাফিকেল উপন্যাস বুলি লেখিকাই পাতনিত উল্লেখ কৰিছে। দীৰ্ঘ কলেৱৰৰ এই উপন্যাসখন খুব কম সময়ৰ ভিতৰতে অপ্ৰতিৰোধ্য তাড়নাত তেওঁ লিখি উলিয়াইছে। লিখি উঠি মানসিক সকাহ পাইছে--সেই কথাও পাতনিত উল্লেখ কৰিছে। উপন্যাসখনত ঠায়ে ঠায়ে অতিকথনে ৰসভংগ কৰিছে-বহুখিনি বৰ্ণনা সীমিত কৰাৰো অৱকাশ ৰৈ গৈছে। অৱশ্যে এই সকলোৰে উৰ্দ্ধত আছে লেখিকাই 'অন্তৰতম'ৰ জৰিয়তে সমাজলৈ প্ৰেৰণ কৰা বাৰ্তাটো-আমাৰ অদেখা সেই বিশেষ পৃথিৱীখনলৈ সোমাবলৈ দিয়া সুযোগটো। উপন্যাসখনে আমাক দিছে বোধ আৰু সংবেদনশীলতাৰ পাঠ-শিকাইছে স্বাভাৱিক পৃথিৱীৰ সিপাৰে থকা অস্বাভাৱিক পৃথিৱীখন উপলব্ধি কৰিবলৈ-যাতনামথিত জীৱনৰ মাজতো থকা অনন্য সুন্দৰ পৃথিৱীখনক বিচাৰি উলিয়াবলৈ।

**যোগাযোগৰ ঠিকনা:**
শিক্ষয়িত্ৰী, অসম জাতীয় বিদ্যালয়,নুনমাটি, গুৱাহাটী-২০
মোবাইল: ৯১০১২২৭৫৬৬